# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১০৩/২০২০

**দৰং জাতীয় বিদ্যালয় আৰু লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়**

**প্ৰতিখন শিক্ষানুষ্ঠানত 'যুৱ সংসদ' অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান**

## মানুহে গ্ৰহণ কৰিব পৰাকৈ আমি নিজৰ ব্যক্তিত্ব নিৰ্মাণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম বিধান সভাৰ চেণ্ট্ৰেল হলত খাৰুপেটীয়াৰ দৰং জাতীয় বিদ্যালয় আৰু অভয়াপুৰীৰ লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। উল্লেখ্য যে অসম বিধানসভাই ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলক বিধানসভাৰ কাৰ্যক্ৰমণিকা দৰ্শনৰ বাবে পদক্ষেপ লৈ আহিছে আৰু ইয়াৰ জৰিয়তে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিধানসভাৰ কাৰ্যক্ৰমণিকাৰ চাক্ষুস অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলে মুখ্যমন্ত্ৰীৰ সৈতেও প্ৰত্যক্ষভাৱে মত-বিনিময়ৰ সুযোগ লাভ কৰিছে। বৰ্তমানলৈকে এই কাৰ্যসূচীৰ অধীনত ৰাজ্যখনৰ ১৭০ খন শিক্ষানুষ্ঠানৰ সৰ্বমুঠ ৩৩৯৫ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ২৯৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে এই কাৰ্যসূচীত অংশ গ্ৰহণৰ সুবিধা লাভ কৰিছে।

আজিৰ এই মত-বিনিময় অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিধানসভাৰ মজিয়ালৈ নাহিলে বাহিৰৰ পৰা ইয়াৰ প্ৰকৃত চৰিত্ৰ হৃদয়ংগম কৰিব নোৱাৰি। মুখ্যমন্ত্ৰীয়ে এই বিধানসভা দৰ্শনৰ জৰিয়তে লাভ কৰা ইতিবাচক অভিজ্ঞতাখিনি নিজৰ ভিতৰতে সীমাবদ্ধ নাৰাখি তেওঁলোকৰ সহপাঠীসকলৰ লগতে সমাজত বিলাই দিয়াৰ বাবেও ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সংসদীয় গণতন্ত্ৰ ব্যৱস্থাত বিধান সভাই বহন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিধান সভাৰ আৰ্হিৰে নিজৰ নিজৰ শিক্ষানুষ্ঠানসমূহত 'যুৱ সংসদ' প্ৰতিষ্ঠা কৰি যিকোনো বিষয়ৰ যুক্তি-তৰ্ক অনুষ্ঠান অনুষ্ঠিত কৰাৰ পদক্ষেপ ল'বলৈও ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়।

ছাত্ৰ জীৱনক জীৱনৰ আটাইতকৈ সোণালী সময় বুলি উল্লেখ কৰি এই সময়খিনিৰ সৎ ব্যৱহাৰেৰে আদৰ্শ নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে কঠোৰ অধ্যৱসায়ত ব্ৰতী হোৱাৰ বাবেও ছাত্ৰ-ছাত্ৰীসকলক মুখ্যমন্ত্ৰীয়ে উপদেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে একবিংশ শতিকাৰ এই প্ৰতিযোগিতামুখী বাতাৱৰণত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা, ক্ৰীড়া, সংস্কৃতি আদি সকলো দিশতে নিজকে যোগ্য আৰু দক্ষ কৰি তোলাৰ বাবে পদক্ষেপ ল'বলৈও আহ্বান জনায়। মাদক দ্ৰব্যৰ নেতিবাচক দিশসমূহৰ বিষয়ে ভালদৰে অনুধাৱন কৰি ইয়াৰ পৰা সৰ্বদা আঁতৰি থকাৰ বাবেও মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক উপদেশ দিয়ে। ইন্টাৰনেট আৰু ছ'চিয়েল মিডিয়াৰ অপব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে মানুহে গ্ৰহণ কৰিব পৰাকৈ আমি নিজৰ ব্যক্তিত্ব নিৰ্মাণ কৰিব লাগিব। সফলতাৰ কোনো চমু পথ নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বক্ৰ পথৰে লাভ কৰা সফলতা সদায় ক্ষণস্থায়ী হয়। কঠোৰ অধ্যৱসায় আৰু পৰিশ্ৰমৰ মাজেৰে লাভ কৰা সফলতাইহে আমাক আত্মবিশ্বাস আনি দিয়ে। প্ৰতিটো দিনকেই জীৱনৰ শেষ দিন বুলি গণ্য কৰি কাম কৰি যাবলৈ শিক্ষাৰ্থীসকলক উপদেশ দি মুখ্যমন্ত্ৰীয়ে কয় যে এলেহুৱা মানুহৰ পৰা সমাজে একো আশা নকৰে। সেয়েহে এলাহ পৰিত্যাগ কৰি সদাব্যস্ত জীৱন-যাপন কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

মত-বিনিময়ৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলেও তেওঁলোকে বিধানসভাৰ দৰ্শনৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে বিধানসভা দৰ্শন কৰা শিক্ষাৰ্থীসকলক এই কাৰ্যসূচীত অংশ গ্ৰহণৰ প্ৰমাণপত্ৰ সমূহো প্ৰদান কৰে।

আজিৰ এই মত-বিনিময়ৰ সময়ত সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজহ বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, বিধায়কদ্বয় বিমল বৰা আৰু গুৰুজ্যোতি দাসো উপস্থিত আছিল।

**প্ৰঃকুঃবঃ / বঃভাঃ**
**০৩-০৩-২০২০**